ক্ষমতা আৰু সময়ৰ প্ৰতি লক্ষ্য ৰাখি সামাজিক, সাংস্কৃতিক, বৌদ্ধিক আৰু অৰ্থনৈতিক সকলোবোৰ দিশেই পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰি লোৱা হয়।

## পাঠ্যক্ৰমৰ অৰ্থ (Meaning of curriculum)

সাধাৰণভাৱে ক'বলৈ হ'লে পঢ়িবলগীয়া বিষয়ৰ সমষ্টিয়ে হৈছে পাঠ্যক্ৰম। শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য নিৰ্ধাৰণ কৰাৰ পিছত পাঠ্যক্ৰম নিৰ্বাচিত কৰা হয়। আনুষ্ঠানিক শিক্ষাৰ শিক্ষানুষ্ঠানত শিক্ষা দান কৰা বিভিন্ন বিষয়ৰ সমষ্টিক আমি পাঠ্যক্ৰম স্বৰূপে অভিহিত কৰিব পাৰো। পাঠ্যক্ৰমৰ এই ধাৰণাটো হৈছে পাঠ্যক্ৰমৰ সংকীৰ্ণ বিশ্লেষণ। বৰ্তমান আধুনিক শিক্ষাবিদসকলে পাঠ্যক্ৰমক এক বহল দৃষ্টিভংগীৰে ব্যাখ্যা কৰিছে। এই বহল দৃষ্টিভংগী অনুসৰি পাঠ্যক্ৰম কেৱল শ্ৰেণীকোঠাৰ মাজতে আবদ্ধ হৈ থকা নাই, ই ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ সকলো দিশ যেনে শাৰীৰিক, মানসিক, সামাজিক, আৱেগিক, বৌদ্ধিক সকলো দিশৰে অভিজ্ঞতাক সামৰি লয়। অৰ্থাৎ কেৱল বিদ্যালয়ৰ চাৰিবেৰৰ মাজত লাভ কৰা অভিজ্ঞতাই নহয়, বাহ্যিক জগতৰ বাস্তৱ অভিজ্ঞতাও পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত।

পাঠ্যক্ৰম শব্দটোৰ ইংৰাজী প্ৰতিশব্দটো হৈছে। Curriculum। এই Curriculum শব্দটো মূল লেটিন ভাষাৰ 'Currer' পৰা লোৱা হৈছে, যাৰ অৰ্থ হ'ল "Run whay" বা Race Course'। অৰ্থাৎ দৌৰা দৌৰা স্থান বা দৌৰা পথ। এইটো দিশৰ পৰা বিবেচনা কৰিলে কোনো নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বৰ বাবে অনুসৰণ কৰিবলগীয়া বিষয়বস্তুৰ সমষ্টিয়ে হ'ল পাঠ্যক্ৰম। আমাৰ শিক্ষা ব্যৱস্থাত শ্ৰেণী অনুসৰি কিছুমান নিৰ্ধাৰিত বিষয় থাকে, যিবোৰ নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বৰ বাবে ছাত্ৰ-ছাত্ৰীক শিকোৱা হয়, সেইবোৰেই হৈছে পাঠ্যক্ৰম। মানৱ জীৱনৰ দৰে পাঠ্যক্ৰম হৈছে এক গতিশীল প্ৰক্ৰিয়া। বাস্তৱ জীৱনৰ প্ৰয়োজনীয় দিশসমূহ পূৰণ কৰিবৰ বাবে পাঠ্যক্ৰম পৰিবৰ্তনশীল হোৱাটো প্ৰয়োজনীয়।

গতিকে ক'ব পাৰি যে পাঠ্যক্ৰম হৈছে কিছুমান অভিজ্ঞতা আৰু বিষয়ৰ সমষ্টি। পাঠ্যক্ৰমত সন্নিবিষ্ট বিষয়সমূহে আমাৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু সামাজিক আদি দিশৰ উৎকৰ্ষ সাধন কৰে। ইয়াৰ উপৰিও নতুন প্ৰজন্মক সামাজিক সমাযোজন লাভৰ ক্ষেত্ৰতো পাঠ্যক্ৰমে সহায় কৰে আৰু শিক্ষা প্ৰক্ৰিয়াকো উপযুক্ত পথেৰে আগুৱাই লৈ যায়। পাঠ্যক্ৰম কেৱল শ্ৰেণীকক্ষতে আৱদ্ধ নাথাকে, ই আন কিছুমান সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীৰ দ্বাৰা শিক্ষাৰ্থীৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰে।

## পাঠ্যক্ৰমৰ সংজ্ঞা (Definition of Curriculum)

পাঠ্যক্ৰম সম্বন্ধে বিভিন্ন শিক্ষা আয়োগ, শিক্ষাবিদ আৰু দাৰ্শনিকসকলে তেওঁলোকৰ নিজস্ব সংজ্ঞা দাঙি ধৰিছে। তলৰ তাৰ কেইটামান সংজ্ঞা দাঙি ধৰা হ'ল।

১। কানিংহামৰ মতে, "পাঠ্যক্ৰম শিল্পীৰ (শিক্ষক) হাতৰ মুল আহিলা, যাৰ সহায়ত শিল্পীয়ে নিজৰ ধাৰণাৰে নিজ শিল্পশালাও (স্কুল) এই উপাদান (শিক্ষাৰ্থী)সমূহক গঢ় দিব পাৰে। (According to Cunnigham–"Curriculum is a tool in the bands of the artist (teacher) to maild his natural